Under CSR Support by ipca | Foundation missiongyan

# অধ্যায় - ৪ | চুম্বকৰ সৈতে খেলোঁ আহা

**QUIZ-01**

**১. চুম্বকে কোন ধৰণৰ বস্তু আকৰ্ষণ কৰে ?**
A. কাঠ, বাঁহ
B. লো, নিকেল
C. ৰবৰ, দাপোন
D. কাগজ, পাট
**Answer: B**
**Explanation:** লো, নিকেল, ক'বাল্ট আদি চুম্বকীয় পদাৰ্থই চুম্বকে আকৰ্ষণ কৰে।

**২. তলৰ কোনটি প্ৰাকৃতিক চুম্বক ?**
A. দণ্ড চুম্বক
B. আঙঠি চুম্বক
C. মেগনেটাইট
D. বুটাম চুম্বক
**Answer: C**
**Explanation:** মেগনেটাইট বা ল'ডষ্টন প্ৰকৃতিতে পোৱা প্ৰাকৃতিক চুম্বক।

**৩. চুম্বকৰ আকৰ্ষণ বল আটাইতকৈ বেছি থাকে—**
A. মাজ অংশত
B.মূৰত (মেৰুত
C. দণ্ডৰ একেবাৰে কাষত
D. যিকোনো অংশত সমান
**Answer: B**
**Explanation:** চুম্বকৰ দুটা মূৰত (উত্তৰ–দক্ষিণ মেৰু) আকৰ্ষণ বল আটাইতকৈ বেছি থাকে।

**৪. দুটা চুম্বকৰ একে মেৰু ওচৰলৈ আনিলে কি হয়?**
A. আকৰ্ষণ
B. বিকৰ্ষণ
C. একে  থাকে
D. দিশ পৰিৱৰ্তন
**Answer: B**
**Explanation:** একে মেৰু (N–N বা S–S) মাজত বিকৰ্ষণ কৰে।

**৫. চুম্বক ভাঙিলে কি হয়?**
A. চুম্বকত্ব নষ্ট হয়
B. একমাত্ৰ উত্তৰ মেৰু থাকে
C. প্ৰতিটো টুকুৰাত দুটা মেৰু থাকে
D. চুম্বক অচুম্বকীয় হয়
**Answer: C**
**Explanation:** চুম্বক ভাঙিলে নতুন প্ৰতিটো চুম্বকতে দুটা মেৰু (N আৰু S) থাকে। একক-মেৰুযুক্ত চুম্বক পোৱা নাযায়।

**৬. মুক্তভাবে ওলোমাই থোৱা দণ্ড চুম্বক এডাল সদায় কি দিশ নিৰ্দেশ কৰে ?**
A. পূৱ–পশ্চিম
B. দক্ষিণ–উত্তৰ
C. উত্তৰ–দক্ষিণ
D. যিকোনো দিশ
**Answer: C**
**Explanation:** পৃথিৱী নিজেই এক বিশাল চুম্বক; সেইকাৰণে মুক্তভাৱে ওলোমাই থোৱা চুম্বক সদায় উত্তৰ–দক্ষিণ দিশত স্থিৰ হয়।

**৭. তলৰ কোনটি অচুম্বকীয় বস্তু ?**
A. লোৰ গজাল
B. আলপিন
C. ছেফটি পিন
D. ৰবৰ বেণ্ড
**Answer: D**
**Explanation:** ৰবৰ চুম্বকীয় নহয়; চুম্বকে ইয়াক আকৰ্ষণ নকৰে।

**৮. কম্পাছৰ ভিতৰত কি থাকে ?**
A. কাঠৰ টুকুৰা
B. চুম্বকীয় বেজী
C. তেল
D. লেন্স
**Answer: B**
**Explanation:** কম্পাছৰ ভিতৰত মুক্তভাৱে ঘূৰি থকা চুম্বকীয় বেজী থাকে যি উত্তৰ–দক্ষিণ দিশ দেখুৱায়।

**৯. চুম্বকক গৰম কৰিলে কি হয় ?**
A. চুম্বকত্ব বৃদ্ধি পায়
B. চুম্বকত্ব হেৰুৱায়
C. নতুন মেৰু সৃষ্টি হয়
D. চুম্বক শক্তিশালী হয়
**Answer: B**
**Explanation:** চুম্বক গৰম কৰিলে ইয়াৰ চুম্বকীয় গুণ হ্ৰাস পায়।

**১০. কি অচুম্বকীয় পদাৰ্থৰ মাজেৰে কি চুম্বকৰ বল কাৰ্য কৰে?**
A. কাগজ, প্লাষ্টিক, কাঠৰ মাজেৰে
B. কেৱল ধাতুৰ মাজেৰে
C. কাৰ্য নকৰে
D. কেৱল পানীৰ মাজেৰে
**Answer: A**
**Explanation:** চুম্বকৰ বল কাগজ, প্লাষ্টিক বা পাতল কাঠৰ মাজেৰে কাৰ্য কৰিব পাৰে।

মিছন জ্ঞান
जब चाहें, जहाँ चाहें, जैसे चाहें!
100% FREE!
VIDEO COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App

DOWNLOAD MISSION GYAN APP